# স্বজ্ঞা

# SVAJÑĀ

## দৰ্শন বিভাগৰ আলোচনী

দ্বিতীয় সংখ্যা, ২০১৭



## নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়










Library Copy

PHILOSOPHICAL FORUM · ESTD: 2012 · NARANGI ANCHALIK MAHAVIDYALAYA

# SVAJÑĀ

# স্বজ্ঞা দৰ্শন বিভাগৰ আলোচনী

দ্বিতীয় সংখ্যা, ২০১৭

NARANGI ANCHALIK MAHAVIDYALAYA
বিদ্যা দদাতি বিনয়
ESTD: 1991 : NARANGI : GUWAHATI - 71

NARANGI ANCHALIK MAHAVIDYALAYA
**Narangi, Guwahati-781071**

আলোচনী 'স্বজ্ঞা' (SVAJÑĀ) দৰ্শন বিভাগৰ আলোচনী, নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয় ফিলচফিকেল ফৰামৰ দ্বাৰা প্ৰকাশিত, গুৱাহাটী-১৭১

## সম্পাদনা সমিতি

উপদেষ্টা ঃ ৰীতা দত্ত হাজৰিকা, অধ্যক্ষ
সেবিকা দাস, মূৰব্বী, দৰ্শন বিভাগ

**শিক্ষক পৰ্যবেক্ষক**

১। ড° কৰবী গোস্বামী
২। পিঙ্কুমনি বৰ্মন
৩। গৰিমা শইকীয়া
৪। চনী তালুকদাৰ

**সম্পাদক** ঃ শঙ্কৰ লোধ (৫ম ষান্মাসিক)
**সদস্য** ঃ বিভা কুমাৰী (৫ম ষান্মাসিক)
মিনাক্ষী শৰ্মা (৩য় ষান্মাসিক)
মিনাক্ষী ৰাজবংশী (৩য় ষান্মাসিক)
নবনীতা দাস (১ম ষান্মাসিক)
দিগন্ত নাথ (১ম ষান্মাসিক)

বেটুপাত ঃ মিনাক্ষী শৰ্মা

# Department of Philosophy
## Result–2017

1. Karabi Deka 8.2



2. Samir Ahmed 7.7



3. Ragini Sharma 7.4



4. Ajijur Rahman 6.7



5. Jutika Kalita 6.3



6. Riju Chaudhuri 5.7



7. Bandita Barman 4.8




# অধ্যক্ষৰ কলম



আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ স্বজ্ঞা (SVAJÑĀ) আলোচনীখনে দ্বিতীয় সংখ্যক প্ৰকাশৰ আয়োজনৰ কথা জানি সঁচাকৈয়ে সুখী হৈছো। আলোচনী এখন প্ৰকাশ কৰাটো একেবাৰে সহজ কথা নহয়। তাকো এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হ'লে একাণপটীয়াকৈ লাগি থকা ব্যক্তি অত্যন্তই জৰুৰী। এই সকলোবোৰ আছে বাবেই দৰ্শন বিভাগে ছাত্ৰ-ছাত্ৰীসকলক লৈ প্ৰকাশ কৰিব পাৰিছে আৰু দৰ্শন বিষয়ক জাৰ্নেল 'দৃষ্টি' (the Vision) এই প্ৰয়া সদায় থাকক সেই কামনাৰে—

**ৰীতা দত্ত হাজৰিকা**
ভাঃ অধ্যক্ষ
নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়
২৯/৮/২০১৭

# সম্পাদকৰ দুআষাৰ



ভাষা অধ্যয়নৰ জৰিয়তে সাহিত্য গঠন হয়। ভাষা আৰু সাহিত্যৰ মাজত এক নিবিড় সম্পৰ্ক আছে। ভাষা নহ'লে কেতিয়াও সাহিত্য ৰচনা কৰিব নোৱাৰি। ভাষাৰ জৰিয়তে আমি মনৰ অনুভূতি, চিন্তা, কল্পনাৰে সাহিত্যৰ ভাব প্ৰকাশ কৰো। ঠিক সেইদৰে আলোচনী এখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা প্ৰকাশৰ সুযোগ পায়। সেইবাবেই এই বছৰো দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলৰ আলোচনী স্বজ্ঞা (Svajna) উলিয়াবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। আমাৰ এই আলোচনীখনি সুন্দৰ কৰি তুলিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে গল্প, কবিতা, প্ৰৱন্ধ, কৌতুক ইত্যাদি সন্নিৱিষ্ট কৰি আলোচনীখন জাকত জিলিকা কৰাৰ লগতে নিজৰ সাহিত্য প্ৰতিভাৰো পৰিচয় দিবলৈ যথোপনাষ্টি চেষ্টা কৰিছে। আশাকৰো আলোচনীখনে পাঠকৰ সমাদৰ পাবলৈ সক্ষম হ'ব।

২০১৭ বৰ্ষৰ দৰ্শন বিভাগৰ আলোচনীৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই বিভাগ তথা মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ হৈ থাকিলো। প্ৰথমতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া শ্ৰীৰীতা দত্ত হাজৰিকা বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। আমাৰ বিভাগীয় মূৰব্বী সেবিকা দাস বাইদেউ অসুস্থ হৈ ছুটীত থাকিও আলোচনীখন প্ৰকাশত উৎসাহ যোগাই আহিছে। বাইদেউলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই আলোচনীখন প্ৰকাশ কৰিবলৈ সকলো দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে আমাৰ বিভাগৰ অধ্যাপিকা ড" কৰবী গোস্বামী বাইদেউ, শ্ৰীগৰিমা শইকীয়া বাইদেউ, পিংকুমণি বৰ্মন বাইদেউ আৰু আমাৰ বিভাগৰ অতিথি অধ্যাপিকা চনী তালুকদাৰ বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আমাৰ আলোচনী "স্বজ্ঞা'চ মহাবিদ্যালয়ৰ লগতে সমাজৰো প্ৰতিচ্ছবি হওঁক। আলোচনী "স্বজ্ঞা"খন প্ৰকাশ কৰোতে অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে দোষ মাৰ্জনা কৰে যেন। সুদূৰ ভৱিষ্যতে আলোচনীখনৰ মান আৰু উন্নত কৰিবলৈ আশীষ বিচাৰি........।

জয় দৰ্শন বিভাগ

জয় স্বজ্ঞা

জয় নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়।

**শংকৰ লোধ**

৫ম ষান্মাসিক, দৰ্শন বিভাগ

# সূচীপত্ৰ

## কবিতা শিতান ঃ


১। জীৱন নদী ১
২। ৰক্তাক্ত ২
৩। অভিজ্ঞতা ৩
৪। Maril Chatpa Keisumshang ৪
৫। সাহস ভৰা এক কাৰাগাৰ ৫
৬। জাতিৰ মিল ৬
৭। সংগোপনে ৭
৮। জীৱ শ্ৰেষ্ঠ কোন? ৮
৯। সোণোৱালী শৈশৱ ৯
১০। Time ১০
১১। প্ৰতীক্ষা ১১
১২। তোমালৈ ১২


## প্ৰৱন্ধ শিতান ঃ


১৩। মন আৰু শৰীৰৰ মাজত সম্পৰ্ক ১৩
১৪। Good Manners ১৪
১৫। এটি দুখীয়া পৰিয়াল ১৬
১৬। সন্ত্ৰাসবাদ ১৮
১৭। নাৰী ১৯
১৮। দৰ্শন সম্বন্ধে মোৰ অনুভৱ ২১
১৯। কুইজ ২২

# জীৱন নদী

— বন্দিতা বৰ্মন,
প্ৰাক্তন ছাত্ৰী, ২০১৭

দেখিলো জীৱন নদীৰ দুয়োপাৰ
সুখ, দুখ আনন্দ অপাৰ,
বহুতে দুয়োপাৰ চাবলৈ যায়,
বিচৰা মতে একোৱেই নেপায়।
জীৱন নদীৰ প্ৰতিটো ঢৌৱেই
বোৱাই আনে সুখ দুখৰ সমাহাৰ,
বহুতেই বহু পায়, বহু হেৰুৱাই,
যি পায় তাকো সময়ে উটুৱাই।
সুখে মাত্ৰ ভুমুকি মাৰে,
দুখো কাৰো লগ নেৰে,
জীৱন নদীৰ সোঁত দেখি
বহুতে পাৰ হোৱাৰ আশা এৰে।
হেৰা বন্ধুহঁত,
জীৱন নদীৰ সোঁত দেখি
খাব নালাগে ভয়
ধৈৰ্য্য আৰু সাহসেৰে সাতুৰিব জানিলেহে
জীৱন সফল হয়।

**তিনিজনৰ লগ এৰিবা ঃ**
১। মিছলীয়া, ২। ব্যাভিচাৰী আৰু ৩। জুৱাৰী।

# ৰক্তাক্ত

— যুতিকা কলিতা
প্ৰাক্তন ছাত্ৰী, ২০১৭

ৰক্তাক্ত, ৰক্তাক্ত
চৌদিশ আজি ৰক্তাক্ত
ক্ষত বিক্ষত হৈ পৰি আছে
নীৰিহ নিৰ্দোষীৰ দেহ
লগত আছে দুখৰ আৰ্তনাদ
আৰু আছে আপোনজনক
হেৰুৱাৰ কান্দোনৰ ৰোল।

সন্ত্ৰাস,
জাতি ধৰ্মৰ আঁৰত সন্ত্ৰাস
চলোৱা এওঁলোক কোন?
নিজ স্বাৰ্থ পূৰ্ণাৰ্থে
মানৱতাক পিষ্ট কৰা
দয়া মৰম বিহীন নিৰ্হিদয়
নিষ্ঠুৰ, পাষাণ এওঁলোক।
মৃত্যুৰ কিৰিলিত তৃপ্তি
লোৱা নৰ পিশাচ এওঁলোক।

তুমি যদি জ্ঞানী হ'ব খোজা, তেন্তে প্ৰথমে জিভাক শাসন কৰা।
— লেভৰ্ক্টাৰ

# অভিজ্ঞতা

— ৰাগিনী শৰ্মা

প্ৰাক্তন ছাত্ৰী, ২০১৭

জীৱনৰ প্ৰতিটো পলে
একো একোটা নতুন কথা শিকায়,
কেতিয়াবা যদি বিষাদৰ
কেতিয়াবা আকৌ আনন্দৰ,
এই হুহুৱাই, এই কন্দুৱাই
এটা মুহূৰ্তই অবুজ শিশুৰ দৰে,
উমলি ফুৰিবলৈ দিয়ে।
আন এটাই দিয়ে সোঁৱৰাই
নিস্তব্ধতাৰ বাণী
কেতিয়াবা আত্মীয়তাৰ ভাব
কেতিয়াবা নিসংগতাৰ
এই সকলোবোৰ জানো
অভিজ্ঞতাই নহয়!
এইবোৰেইটো পূৰণ কৰে,
জন্মতে লৈ অহা উকা কাগজখন
নহ'লেনো এইখন কাগজতে
বিহুৰ ৰং সানিম!
ক'লা, বগা, ৰঙা..........
এইটো জীৱনৰেই

# Maril Chatpa Keisumshang

— **MEENAKHI SARMA**
B.A. 3rd Sem

Ebammagi Charoraba Khaoduda
        Amamamta humjinduna louthokrakliba
Wahangsing ado
        Chok thadraba Wadabara?
Leptana piriba singdo efamda
        yarabadi amuktada loina heithabirak U
Nalada Mapei ado
        thadajakhide
Prik prik karakpa konggolda
        Masing thingamdaba paukhumsingsu
        Loinaidana yaorakkai
Madu- Ahingba Punsini
Madu - Nupi Nanggi Sahityani
Eigi na maril chatpa keisumshangni.

Assamese translation :-

আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছো, কিন্তু এখন পৃথিৱীত ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।

— *মাৰ্টিন লুথাৰ*

# সাহস ভৰা এক কাৰাগাৰ

— মিনাক্ষী শৰ্মা
স্নাতক তৃতীয় ষান্মাসিক

(আইদেউৰ ডাঙৰ জোলোঙাটোত
হাত ভৰাই এটা এটাকৈ উলিওৱা প্ৰশ্নসমূহ
অৱসাদ অথবা প্ৰশ্নসমূহ ক্লান্ত হোৱা নাইনে?
অবিৰাম গতিৰে মোক দি থকা প্ৰশ্নসমূহ
সম্ভৱ যদি হয়, একেবাৰতে গোটেই বাকি দিয়া
নৰ্দমাত সমষ্ট প্ৰশ্ন উটুৱাই দিওঁ
উঠি অহা পানীৰ বুৰবুৰণিত,
গণি শেষ কৰিব নোৱাৰা সমিধান সমূহ
অন্তহীনভাৱে আহি থাকিব।
সেয়া— জাগ্ৰত জীৱন
সেয়া— নাৰী তোমাৰ শক্তি
মোৰ বাবে সৎ সাহসেৰে ভৰপূৰ
এক কাৰাগাৰ।

**তিনিটা কাম সদায় নিয়মমতে কৰিবা ঃ**
১। প্ৰাৰ্থনা, ২। ভোজন আৰু ৩। ব্যায়াম।

# জাতিৰ মিল

— মিনাক্ষী ৰাজবংশী

স্নাতক তৃতীয় ষান্মাসিক

জীৱনে মৰণে থাকিম
আমি এই ধৰণীত।
পাহৰিব নোৱাৰো আমি
এই জন্মভূমিক।।
জীৱনে মৰণে থাকিম আমি
এই পৃথিৱীত।
আহা আমি সকলোৱে
থাকিম মিলিজুলি।।
আহা আমি সকলোৱে
এক গোট হওঁ।
জাতি-ভেদ নিবিচাৰো আমি
বিচাৰো কেৱল মৰম।।
থাকিলে থাকক
ডাঙৰ উপাধি।
আহা আমি সকলো
এক জাতি হওঁ।।

তিনিজনক সদায় সন্মান কৰিবা ঃ
১। মা, ২। পিতা, ৩। গুৰু।

# সংগোপনে

— গাৰ্গী শৰ্মা
স্নাতক ১ম ষান্মাষিক

উজাগৰি নিশা
তোমাৰ কথা ভাবি,
হিয়াৰ তুলিকাৰে
নীলিম নিবিড় ৰেখাৰে
তোমাৰ ছবিকে আঁকিছো
মোৰ হিয়াত সংগোপনে।

এজাক বতাহ বলিছে
সুমধুৰ সুৰ নিগৰিছে,
এই সমীৰণে হঠাতে
মই অংকণ কৰা
তোমাৰ ছবিখন
লৈ গ'ল তোমাৰ কাষলৈ।

পুৱতি নিশা যেতিয়া তুমি সাৰ পাবা,
দেখিবা তোমাৰ ছবিখন
তোমাৰ পদুলি মুখত

**তিনিটাক কেতিয়াও নেৰিবা ঃ**
১। ধৈৰ্য্য, ২। ধৰ্ম আৰু ৩। মিত্ৰ।

# জীৱ শ্ৰেষ্ঠ কোন .........?

— নৱনীতা দাস

স্নাতক প্ৰথম যান্মাসিক

আজিৰ মানুহ সকলো নিষ্ঠুৰ
যিদৰে আচৰণ কৰে যেন একোটা অসুৰ।
আজিৰ মানুহৰ নাই মানৱতা গুণ
পিছে জীৱ শ্ৰেষ্ঠ কোন?
'জীৱ শ্ৰেষ্ঠ'! শুনিয়েই হাঁহি উঠে মোৰ
মই ভাবো জীৱ নিম্ন আজিৰ মানুহবোৰ
মানুহে মানুহক কৰে নানা দুৰ্ব্যৱহাৰ
আন পশুবোৰকো কৰিব এৰা নাই অত্যাচাৰ
মানুহৰ প্ৰতি নাই শ্ৰদ্ধা, ভক্তি, মৰম
সকলোৱে পাহৰি গৈছে নিজৰ ধৰম।
এইবোৰ কৰিও, জানিও মানুহবোৰ জীৱ শ্ৰেষ্ঠ কিয়?
এনেকুৱা কু-কৰ্মবোৰ জানো সকলোৰে বাবে প্ৰিয়?
হয় সেইজনে জীৱ শ্ৰেষ্ঠ
যিজনে কৰিব পাৰে জীৱনৰ লগত যুদ্ধ।
যিজনৰ মনত আছে মৰম, শ্ৰদ্ধা, ভক্তি
তেওঁ পাব স্বৰ্গত যাবলৈ সম্পূৰ্ণ মুক্তি।
মোৰ মনত এতিয়াও প্ৰশ্ন হয়
বাকীবোৰ নো কি?

আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই নথবা। কাৰণ কাইলৈ তোমাৰ কি হ'ব তুমি নাজানা। — *হজৰত মহম্মদ*

# সোণোৱালী শৈশৱ

—ৰিজু চৌধুৰী,
প্ৰাক্তন ছাত্ৰ, ২০১৭

আইৰ কোলাত পাৰ কৰা
সেই দিনবোৰ
দেউতাৰ মৰম খং
আৰু বিচাৰিলেও নোপোৱা মাদকতা
মোৰ শৈশ
মোৰ সোণোৱালী দিন.........।
বৰকৈ মনত পৰিছে
মধুদাৰ বাৰীত চুৰকৈ খোৱা জলফাই
সমনীয়াৰ সৈতে হৈ হুদু
বিহুত ভেলাঘৰৰ ভোজ
আৰু স্কুলত
ভাইটিক চাৰৰ চেকনিৰকোব
মৰমৰ মা অ'
মহানগৰীৰ যান্ত্ৰিকতাত
আজি মাথো সভ্যতাৰ ডাষ্টবিন
বিচাৰিলেও চোন নাপাও
মাৰ বুকুৰ উম,
তোৰ হাতৰ সোৱাদ
দেউতাৰ মৰমৰ মাত
আৰু চেকনিৰ কোব।
সান্ধ্য ভ্ৰমণৰ নষ্টালজিয়াৰ ফ্ৰেমত
আৰি ৰয় আজি মোৰ শৈশৱ
স্মৃতিৰ কেনভাচত শৈশৱ
বিচাৰিলেও নোপোৱা
মোৰ সোণোৱালী শৈশৱ......।

# Time

— **Bibha Kumari**
B.A. 5th Sem

If time is a train
And the future is the station
Then life is a journey
to our destination.

If time is a challenge
and future is to win
then life is a game
to be played to be brim.

It time is our studies
and future is success
Then life is a rough sea
Nothing must stop our progress.

Life is a precious gift
which is full of purpose
Lets try our best
To make it more glorious.

তিনিটাক ঘৃণা কৰিবা ঃ
১। পাপ, ২। হিংসা আৰু ৩। অহংকাৰ।

# প্ৰতীক্ষা

— পূজা বিশ্বাস,
স্নাতক ১ম ষান্মাসিক

বিক্ষুব্ধ ধৰাৰ বুকুত নামিব এদিন
শান্তি সুষমাৰ ধাৰা,
তমসা ভেদি নীল গগণক
মাতিব দূৰৈৰ পৰা।
তৰা হাঁহিব নীলিম বুকুত
আবেগ পাহৰি যাব,
প্ৰকৃতিয়ে নতুন ৰূপেৰে
দিগন্তত মিল ৰ'ব।
ৰক্তিম আভাৰে ধৰাক সজাব
অসীমো সসীম হ'ব,
মধুময় জীৱনৰ কোবাল সোঁতত
হৃদয় স্পন্দন অপেক্ষা কৰিব।
অলেখ বাসনা অলেখ কামনা
সুৰ তুলি মধুৰ ভাৱৰ,
পশ্চিম ৰবিৰ সোণোৱালী কিৰণ
অস্তিমত হ'ব অসীমত।
পুৰণি মনৰ কোটি ভাৱনা
সকলো নবীন হ'ব,
নবীনে আহি দুবাহু মেলিব
পুৰণি আঁতৰি যাব।
সিদিনা উদিব বিশাল ধৰাত
অৰুণ কেতু এন্ধাৰ হৰা,
শতাদল হ'ব মুগ্ধ চুমি তিক্ত বিৰহৰ সীমা
মাথোন অনন্তক প্ৰতীক্ষা কৰিব।

# তোমালৈ

—পিতুমণি নাথ
স্নাতক তৃতীয় যান্মাসিক

মোৰ হৃদয়ত হৃদয় থৈ
তুমি দিয়া প্ৰতিশ্ৰুতি
আস কি যন্ত্ৰণা ?
ক'ত হেৰাই গ'ল।
সেউজীয়া এটা সপোন
জোনাকৰ শীতল কোলাত
বৈ থকা তুমি
নীৰৱে নিৰলে
শৰতৰ শুকুলা ডাৱৰৰ মাজে মাজে
হিৰণময়ী দুচকুত আছে
সাগৰ সদৃশ বিশালতা
বৈ পৰা টুলিটাৰী
ঢৌ খেলি যায়
কাৰ অন্তৰত জোকাৰণি জগায়।

সংসাৰত গাৰ বলেৰে বা শক্তিৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু হ'ল জ্ঞান। জ্ঞান আৰ্জিবলৈ লাগে একমাত্ৰ অধ্যয়ন।

— *জনছন*

# মন আৰু শৰীৰৰ মাজত সম্পৰ্ক

—শংকৰ লোধ
স্নাতক পঞ্চম ষান্মাসিক

মানুহৰ মন আৰু শৰীৰৰ মাজত নিবিড় সম্পৰ্ক আছে। ইটো আনটোৰ পৰিপূৰক। মন ভালে থাকিবলৈ শৰীৰ ভালে থকাৰ প্ৰয়োজন। আকৌ শৰীৰ ভালে থাকিলেহে মনো ভালে থকে। সেইদৰে মনৰ বিকাৰ হ'লে শৰীৰ ৰোগাগ্ৰস্থ হৈ পৰে। কিন্তু মন সুস্থ সবল হৈ থাকিলে মানুহ দুৰাৰোগ্যত আক্ৰান্ত হ'লে আৰোগ্য লাভ কৰিব পাৰে আৰু দীৰ্ঘায়ু হ'ব পাৰে। সেয়ে মনক সুস্থ সৱল কৰি ৰখা অতি প্ৰয়োজন। মনক নিয়নত্ৰণ কৰি শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰিলে অসাধ্য কামো সহজে সাদন কৰিব পাৰি।

মন আৰু শৰীৰৰ মাজত নিয়ন্ত্ৰণ ৰখাৰ একমাত্ৰ উপায় হৈছে যোগাভ্যাস। মনৰ দুটা ভাগ আছে— এটাভাল, আনটো বেয়া। বেয়াক আঁতৰাই মনক ভাল গুণক নিয়মিত যোগাভ্যাসৰ দ্বাৰা সাৰপানী যোগাই থাকিলে মন সুস্থ সৱল হৈ থাকে আৰু তেতিয়া কোনো ৰোগে শৰীৰত আক্ৰমণ কৰিব নোৱাৰে।

ঈশ্বৰ, মন বা আত্মা আৰু জড় এই তিনিটাৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। ঈশ্বৰ, মন আৰু শৰীৰ, এই তিনিটা লগত জড়িত মানুহ নামৰ অস্তিত্ব স্থিৰ হয়। সেয়ে এই তিনিটাৰ জড়িয়তে মানুহৰ মন আৰু শৰীৰক নিবিড় সম্পৰ্ক গঢ়ি তোলে।

দেহ আৰু মন সম্পূৰ্ণ বেলেগ বা বিপৰীতধৰ্মী হ'লেও এই দুই দ্ৰব্যৰ মাজত ক্ৰিয়া প্ৰতিক্ৰিয়া হৈ থাকে। কিবা এটা বস্তুৰ লগত ইন্দ্ৰিয়ৰ লগত ইন্দ্ৰিয়ৰ সংযোগ হ'লে দেহত স্নায়ুতন্ত্ৰত উত্তেজনাৰ সৃষ্টি হয়। এই উত্তেজনাৰ কাৰণ নিৰ্দেশ কৰি মনে ব্যাখ্যা কৰে। তেতিয়াই জ্ঞানৰ উৎপত্তি হয়। জ্ঞান অৰ্জনৰ কাৰণে দেহে মনৰ ওপৰত উত্তেজনাৰ সৃষ্টি কৰে। মনৰ ইচ্ছাতহে দেহে কাম কৰে। যিকোনো কাম কৰাৰ কাৰণে মনে দেহ আৰু মনৰ ক্ৰিয়াৰ প্ৰতিক্ৰিয়া পিনিয়েল গ্ৰন্থিৰ যোগেদি ঘটে।

**তিনিজনৰ প্ৰতি দয়া কৰিবা ঃ**
১। দুৰ্ঘটনাগ্ৰস্ত, ২। বিধবা আৰু ৩। পথহাৰা যাত্ৰী।

# Good Manners

– **Bibha Kumari**
B.A. 5th Sem

Bad manners are always objectionable. We can excuse ignorant and badly brought up people, who know no better; but there are many, whodo know better, who take pride in themselves on being rude and off-hand; and these we cannot excuse. Some of these people (conceited fellows) think that rudeness is a sing of independence and manliness. And others say that politeness is a form of insincerity, and hold that to say that you are glad to see a person whom you really dislike, or that you were sorry when a visitor has to leave when all the time you are glad to get rid of him, or to ask after a persons health when you do not care whether he is alive or dead, is simply hypocrisy.

Even if you do not like a man, it is not always necessary to tell him the brutal truth. Good manners may be superficial and sometimes they may be a little insincere; but they are as necessary to the continuance of society as oil is to the working of a machine without friction. And with people who have naturally kind hearts? politeness is neither insincere nor artificial. For the essence of good manners is consideration for the feelings of others; and surely this is a virtue. Some one has called good manner 'surface religion', because the essence of true religion is unselfish sympathy. The

ıe gentleman is one who instinctively thinks of the feelings, the ımfort and happiness of others, before his own. And there are ıe gentleman, nature's gentleman, even amongst the poor and ıorant, who thought they have not had the chance of learning the rules of etiquette, have hearts kingsize!

তিনিজনক নাহাঁহিবা ঃ
১। বুঢ়া, ২। পগলা, ৩। পঙ্গু।

# এটি দুখীয়া পৰিয়াল

— নৱনীতা দ
স্নাতক প্ৰথম ষান্মাসি

এখন গাঁৱত এঘৰ দুখীয়া পৰিয়াল আছিল। সিহঁতৰ এটা ল'ৰা আছি ল'ৰাটোৰ নাম আছিল আয়ুস। তাৰ বয়স দহ বছৰ, দেউতাকে দিন হাজিৰা ক পৰিয়ালটোক কোনোমতে পোহ-পাল দি আছে। এদিনাখন ল'ৰাটোৱে দেউতাক সুধিলে—"দেউতা মোক এখন কিতাপ আনি দিয়া মই স্কুললৈ যাম। লগৰ ল' ছোৱালীবোৰে স্কুললৈ যায়, মোৰো মন গৈছে স্কুললৈ যাবলৈ।" তেতিয়া দেউতা খঙত ক'লে আজি কালি কিমানেনু পঢ়ি-শুনি ডাঙৰ মানুহ হৈছে। সকলোৱে প শুনি গাড়ীৰ ড্ৰাইভাৰ নহ'লে খেতিয়কৰ কাম কৰিছে। নালাগে স্কুললৈ যাব। ঘৰতে থাকিবি। মোৰ লগত কাইলৈ কাম কৰিবলৈ ওলাবি বুজিছ। আয়ুসে ম মনে ভাবিলে, দেউতাই মোক স্কুললৈ যাব কিয়নো নিদিয়ে, মোৰ মন স্কুল যাবলৈহে, কিন্তু দেউতাই মোক যাব নিদিয়ে।

সি গৈ লগৰ বন্ধু বিপুলক কথাটো ক'লে, ভাই মোক ঘৰত পঢ়িব নিদি কিন্তু মই পঢ়িমেই আৰু স্কুললৈ যামেই। সেয়েহে মই তোমাৰ ওচৰত আহিছো তেতিয়া তাৰ বন্ধু বিপুলে তাৰ ঘৰত থকা কেইখনমান কিতাপ আনি দিলে। সে কিতাপকেইখন দেখি তাৰ মনত বৰ আনন্দ হ'ল আৰু সি ঘৰলৈ গ'ল। তাৰ পিছদি দেউতাকে তাক ক'লে—মোৰ লগত কামলৈ ব'ল, তেতিয়া সি ক'লে- দেউতা ম ঘৰত থাকি ঘৰৰ কামখিনি কৰিম আপুনি যাওঁকগৈ। দেউতাকে ভাবিছে ভাল ক সি ঘৰত থাকি আগফালে ফুলৰ বাগিচাখনৰ বেৰ দিব। সেইবোৰ ভাবি দেউতা কামলৈ ওলাই গ'ল। তেতিয়া আয়ুসে মাকক ক'লে—মা মই স্কুললৈ যাম। বিপুলৰ পৰা কেইখনমান কিতাপ আনিছো। তেতিয়া মাকে ভাবিলে, মোৰ ল'ৰ পঢ়িব বিচাৰিছে ভাল কথা, সি নিজৰ উপায় নিজে বিচাৰি লৈছে। তেতিয়া মা ক'লে—যা বোপাই তই পঢ়িবি আৰু ডাঙৰ মানুহ হবি।

এনেকৈ দিনবোৰ পাৰ হ'ল। এনেতে দেউতাকে কথাটো গম পালে যে আয়ু স্কুললৈ যোৱা হৈছে। তাক এদিন দেউতাকে ওচৰত মাতি আনি ক'লে যে ত

বোলে স্কুললৈ যোৱা হৈছ। তেতিয়া সি ক'লে- দেউতা মই পঢ়িব বিচাৰো। কিন্তু মোৰ লগত এখনো কিতাপ নাই যিহেতু কেনেকৈ স্কুললৈ যাম। আপুনি ভুল শুনিছে।

দেউতাকে দিন হাজিৰা কৰি যিমানে টকা পায় সেই টকাৰে ঘৰখন কোনো মতেহে চলে। সি বুজি পায়। সেয়েহে দেউতাকে এইখনি সুধিছে। কাৰণ তাক পঢ়াবলৈ টকাৰ অভাৱ।

এনেকৈয়ে দিনবোৰ যাব ধৰিলে। মাক-দেউতাকে দিয়া হাজিৰাৰ টকাখিনি আধা অংশ সাঁচি ৰাখি আয়ুসক পঢ়ালে আৰু আধা অংশ ঘৰখন চলোৱাত সহায় কৰিলে। সি দেউতাকে গম নোপোৱাকৈয়ে পঢ়ি শুনি ডাঙৰ হ'ল। অৱশেষত চাকৰিও পালে। সি চাকৰি পোৱাৰ কথা শুনি দেউতাক আচৰিত হ'ল। আৰু তাক সুধিলে- তই কেনেকৈ ইমান ডাঙৰ মানুহ হলি, চাকৰিও পালি। মই ভাবিছিলো যে আমি দুখীয়া মানুহ পঢ়িলেও চাকৰি নাপাও। তেতিয়া সি ক'লে- দেউতা চাকৰি পাওঁ বা নাপাও শিক্ষা কিন্তু থাকিবই লাগিব। মই কিন্তু চাকৰি পাম বুলি ভবা নাছিলো। কপালৰ লিখন। গতিকে আমি চাকৰিৰ আশা নকৰি শিক্ষাটোহে বিশেষকৈ অৰ্জন কৰিব লাগে।

তেতিয়াহে দেউতাকে বুজি পালে যে দুখীয়া হ'লেও ল'ৰা-ছোৱালীক শিক্ষা অৰ্জন কৰাই শিক্ষিত কৰি তুলিব লাগে।

**তিনিটা অত্যাৱশ্যকীয় কথা ঃ**

১। কাকো বেয়া কথা নক'বা।

২। কাৰো বেয়া দিশটো নাচাবা।

৩। কাৰো বেয়া কথা নুশুনিবা।

# সন্ত্ৰাসবাদ

—নিতু তালুকদাৰ
স্নাতক পঞ্চম যান্মাসিক

সন্ত্ৰাসবাদ শব্দটো শুনিলে প্ৰথমে মনত প্ৰশ্ন উঠে সন্ত্ৰাসবাদ কি ? ইয়াৰ উৎপত্তি কিহৰ কাৰণে হৈছে? সন্ত্ৰাসবাদ হ'ল এনেকুৱা এটা মতবাদ য'ত এইটো বিশ্বাস কৰা হয় যে কেৱল মাত্ৰ সন্ত্ৰাস বা আতংকৰ সৃষ্টি কৰি নিজৰ উদ্দেশ্য সিদ্ধি কৰা। সন্ত্ৰাসবাদৰ ইংৰাজী প্ৰতিশব্দ হ'ল- Terrorism/Terrorist শব্দটো ফৰাচী ভাষাৰ Terrer আৰু লেটিন ভাষাৰ Terrer ৰ অৰ্থ হ'ল ভয় দেখুওৱা (To frighten) সন্ত্ৰাসবাদৰ মূল সূত্ৰ হৈছে 'Kill one, frighten ten thousand' অৰ্থাৎ এজনক হত্যা কৰি দহ হাজাৰজনক ভয় দেখুওৱা।

হিংসাৰ পথেৰে কোনোবাই যদি ৰাজনৈতিক লক্ষ্য পূৰণ কৰিব বিচাৰে তেনেহ'লে তাক কোৱা হয় সন্ত্ৰাসবাদ আৰু এই পন্থাৰ অধিকাৰীসকল হ'ল সন্ত্ৰাসবাদী। এই সন্ত্ৰাসবাদী পৃথিৱীৰ বিভিন্ন দেশত আছে। তেখেতসকলে দেশৰ হকে কাম নকৰে। তেওঁলোকে নিঃস্বাৰ্থৰ কাৰণেহে কাম কৰে। সন্ত্ৰাসবাদ শান্তি আলোচনাৰ বিৰোধী। কাৰণ তেওঁলোকৰ মতে শান্তি আলোচনা কোনো সমস্যাৰ সমাধান নহয়। সন্ত্ৰাসবাদৰ মতে কেৱল শক্তি প্ৰয়োগ কৰিহে সকলো সমস্যাৰ সমাধান কৰা হয়। সন্ত্ৰাসবাদ হ'ল এনেকুৱা এটা মতবাদ যাৰ জৰিয়তে হিংসাত্মক কাৰ্য কৰি দেশৰ জনসাধাৰণৰ মনত আতংকময় পৰিৱেশ নিৰূপণ কৰা।

সন্ত্ৰাসবাদৰ অধিকাৰীসকলক সন্ত্ৰাসবাদী বুলি কোৱা হয়। কাৰণ দেশৰ জনসাধাৰণৰ মাজত এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। এই সন্ত্ৰাসবাদীসকল কম বয়সীয়া কিশোৰ-কিশোৰী। কাৰণ তেওঁলোকক এই হিংসাত্মক কাৰ্যৰ বাবে তৈয়াৰ কৰিবলৈ সহজ হয়। কাৰণ এওঁলোকৰ দ্বাৰা হিংসাত্মক কাৰ্য কৰিলে মানুহে নিৰ্ধাৰণ কৰিব নোৱাৰে কোনে কৰিছে। ১৬ বছৰীয়া কিশোৰ-কিশোৰীসকলৰ মগজুৰ বিক্ৰিতি ঘটাব পাৰে কাৰণে সন্ত্ৰাসবাদৰ মুখ্য নেতাসকলৰ প্ৰথম লক্ষ্য থাকে এইসকল অপহৰণ কৰোৱা আৰু বহু হিংসাত্মক কামত খটোৱা।

# নাৰী

—কৰবী কলিতা
স্নাতক প্ৰথম যান্মাসিক

ভাৰতৰ আইন ব্যৱস্থাত নাৰী আৰু পুৰুষৰ সম অধিকাৰ। যদিও অতীতৰ ৰা বৰ্তমানলৈ আজিও নাৰীৰ ওপৰত সমাজৰ ধৰ্ষণ, কন্যা সন্তান হত্যা, নাৰী অপহৰণ, দেহ ব্যৱসায়, নাৰী নিৰ্যাতম, যৌতুক দাবী, আদি যন্ত্ৰণা চলি আছে। যাৰ ফলত বহুতো নাৰীয়ে আত্মহত্যাৰ পথ বাচি লৈছে। এই দুখ-যন্ত্ৰণাৰ আৰম্ভণি হ্য় কন্যা সন্তানৰ পৰা। যেতিয়া বিজ্ঞান অধিক উন্নত হোৱা নাছিল, অৰ্থাৎ পুৰণি কালত মানুহে কন্যা সন্তান জন্ম হ'লে হত্যা কৰিছিল নতুবা ক'ৰবাত জাবৰ-যোথৰৰ দৰে পেলাই দিছিল। আধুনিক চিকিৎসা ব্যৱস্থাত আগতীয়াকৈ লিংগ নিৰ্ধাৰণ সম্ভৱ হৈ উঠাৰ লগে লগে কন্যা সন্তান জন্ম দিয়াত বাধা দিয়া সহজ হৈ পৰিল। অশিক্ষিত লোকৰ উপৰিও শিক্ষিত সমাজতো কন্যা সন্তান অপ্ৰিয়। ৯০% মানুহেই কন্যা সন্তানৰ প্ৰতি বিৰক্তি, বিতৃষ্ণা অনুভৱ কৰে বা বোজা বুলি ভাবে। সৰুৰে পৰা কন্যা সন্তানক আত্ম নিৰ্ভৰশীল হোৱাত বাধা আৰোপ কৰা হয়। শৈশৱ, কৈশোৰ, গাভৰু, পত্নী, মাতৃ আৰু বৃদ্ধা এই পৰাধীন আটাইবোৰ অৱস্থাত নাৰী পুৰুষ আৰু সমাজৰ পৰাধীন হ'ব লগা হয়। যেতিয়া পিতৃ-মাতৃয়ে বিশেষকৈ পিতৃয়ে পুত্ৰ বিচাৰি কন্যা সন্তান লাভ কৰে আৰু তেওঁলোকে একো কৰিব নোৱাৰা অৱস্থাত পৰে তেতিয়া তেওঁলোকে সেই কন্যা সন্তানটিৰ শিক্ষা, সাজপাৰ, খাদ্য আদিত কৃপণালি কৰে বা কিছুমানে নিদিয়েই। তেতিয়া শিশুটিৰ জীৱন অন্ধকাৰ হৈ পৰে। কৈশোৰ অৱস্থাত বহুতো পিতৃ-মাতৃয়ে নিজৰ কন্যা সন্তানটিক বোজা বুলি ভাবি বিবাহ বা আনৰ ঘৰৰ চাকৰণি হিচাপে নিজৰ ঘৰৰ পৰা বিদায় দিয়ে। এই দুটা অৱস্থাৰ পৰা যদি কোনোবাই সাৰি গাভৰু অৱস্থালৈ পাইছে তেন্তে নিজে আত্ম নিৰ্ভৰশীল হ'বলৈ যত্ন কৰে আৰু যদি আত্ম নিৰ্ভৰশীল নহয় তেতিয়া বহুতৰ ভৰিত পৰিব লগা হয়, কিন্তু ভৰিত পৰাৰ বিনিময়ত তেওঁলোকে মূৰত হাত দিব এৰি তেওঁলোকক শোষণহে কৰে। আকৌ যদি কোনোবাই নিজৰ ঘৰৰ পৰা যৌতুক আনিব নোৱাৰে তেনেহচলে তাইক কি যন্ত্ৰণা বিহে ঠিক নাই, হয়তো খাবলৈ নিদিব, শাৰীৰিক নিৰ্যাতন বিহিব আদি বহুতো যন্ত্ৰণা দিব পাৰে। এগৰাকী মাতৃয়ে যদি পুত্ৰ সন্তান জন্ম দিব নোৱাৰে তেন্তে তাইক

অশেষ বেয়া ব্যৱহাৰ কৰাৰ লগতে মাৰধৰো কৰে, বহুতে সেই তিৰোতা গৰাক
লগত সম্পৰ্ক এৰি দিয়ে, কিন্তু আচল কথা কি মই নক'লেও হ'ব। নাৰীৰ দোষ
পুৰুষৰ দোষ। বহু সময়ত নাৰীও নাৰীৰ শত্ৰু হৈপৰে। বৃদ্ধ অৱস্থাত বহুতো নাৰী
বোৱাৰীৰ মেখেলা ধুৱাকৈ থাকিব লগা অৱস্থাত পৰে। মোক এজনী নাৰীয়ে কৈ
"ছোৱালী জীৱন দুখ-যন্ত্ৰণাৰে আবৃত্ত, ইয়াৰ মাজেৰেই জীয়াই থাকিব লাগি
প্ৰশ্ন হ'ল- যদি নাৰীয়ে নাৰীক বুজি নাপায়, তেনেহ'লে আনে বুজিব বুলি ভবাটো
ভুল। বৰ্তমান বহুতো নাৰীয়ে বা কন্যাই আত্মহত্যাৰ পথ বাচি লৈছে। ইয়াৰ কা
আমি তেওঁলোককে দোষ দিও, কিনতু আমি এবাৰ ভাবি চাইছোনে যে ইয়াত আ
অলপ হ'লেও দোষ আছে। যদি এজনী কন্যাই পিতৃ-মাতৃৰ সপোন পূৰণ কৰিব
বিফল হয় তেনেহ'লে তাইক কোৱা হয় "যদি মোৰ এজন পুত্ৰ থাকিলহেঁ
তেনেহ'লে সি মোৰ সকলো কৰ্ম কৰি নিজৰ অসুস্থ স্বামীক চোৱাৰ লগতে নি
সন্তানৰ লালন-পালন কৰি আছে তেন্তে তাইৰ চৰিত্ৰক সন্দেহ কৰা হয় আৰু কি
কাৰণ আছে মই নক'লেও সকলোৱে জানে।" "শত পুত্ৰ সম কন্যা"। অৰ্থাৎ
কন্যা এগৰাকীয়ে ১০০ জন পুত্ৰৰ সমান কাম কৰিব পাৰে। আকৌ স্বামী বিবেকান
কৈছিল যে- "এজন পুত্ৰক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষা দিয়া আৰু এজ
ছোৱালীক শিক্ষা দিয়া মানে এখন ঘৰক শিক্ষা দিয়া।" গতিকে প্ৰতিটো পৰিয়া
নিজৰ কন্যা সন্তানটিক গুৰুত্ব দিয়ক। তাইক কেতিয়াও অৱহেলা নকৰিব। ক
সন্তানো বৃদ্ধ পিতৃ-মাতৃৰ সঁহাৰি হ'ব পাৰে। যদি প্ৰত্যেক পিতৃ-মাতৃয়ে এনে
কৰে তেনেহ'লে লাহে লাহে দেখিব ৰাজ্য আৰু দেশবোৰতো ইয়াৰ প্ৰভাৱ পৰি
কিয়নো ৰাইজে নখ জোকাৰিলেই নৈ বয়।" আজিৰ কন্যা সন্তান ভৱিষ্যৎ নগাৰি
মাতৃ। কন্যা সন্তানৰ ওপৰতেই সংসাৰৰ ভৱিষ্যত নিৰ্ভৰ কৰে। দেশ আৰু সংস্কৃ
উন্নতি নাৰীৰ উন্নতি অবিহনে বিফল। শেষত এটি প্ৰশ্ন উত্থাপন কৰি সামৰিলো

"কন্যা সন্তানে বাৰু ইমান দুখ-যন্ত্ৰণা কিয় সহ্য কৰিব লাগে??

# দৰ্শন সম্বন্ধে মোৰ অনুভৱ

—পূজা বৰা
স্নাতক প্ৰথম ষান্মাসিক

বিভিন্ন বিষয়ৰ ভিতৰত মোৰ সকলোতকৈ ভাল লগা আৰু গুৰুত্বপূৰ্ণ বিষয়টোৱেই হৈছে 'দৰ্শন'। মই দৰ্শন পঢ়ি বা দৰ্শনৰ বিষয়ে বুজিও বহুত ভাল পাওঁ। উচ্চতৰ মাধ্যমিকত মই তৰ্ক বিজ্ঞান আৰু দৰ্শন বিষয়টো পঢ়ি সফলতাৰে উত্তীৰ্ণ হৈ এতিয়া স্নাতক শ্ৰেণীত দৰ্শন বিষয়টো মেজৰ হিচাপে লৈ পঢ়িবলৈ লৈছো। এই দৰ্শন বিষয়টো পঢ়ি মই ভৱিষ্যৎ জীৱনটো পোহৰাই তুলিম বুলি আশা কৰিছো। সেই ভাবি মই দৰ্শন বিষয়টো অতি গুৰুত্ব সহকাৰে পঢ়িবলৈ চেষ্টা কৰিছো। দৰ্শনৰ বিষয়ে মই ইমান ভালকৈ নাজানিলেও যিখিনি জানো বা বুজো সেইখিনিকেই মোৰ অনুভৱ হিচাপে প্ৰকাশ কৰিছো। দৰ্শন সম্বন্ধে এইখিনি বুজি পোৱাৰ কাৰণ হ'ল মোৰ কলেজত মেমহঁতৰ কাৰণে এতিয়ালৈকে বহুখিনি জ্ঞান আহৰণ কৰিব পাৰিছো আৰু আগলৈকো মেমহঁতৰ পৰা আৰু দৰ্শন সম্বন্ধে শিকিব আৰু জানিব পাৰিম বুলি আশা কৰিছো।

দৰ্শনক চিন্তাৰ বিজ্ঞান বুলিও কোৱা হয়। যুক্তিপূৰ্ণ চিন্তাৰে নিজা নিজা দৃষ্টিভংগীৰে সেই সমূহৰ সমুচিত অৰ্থ নিৰ্ণয় কৰি আদৰ্শপূৰ্ণ মূল্যায়ণৰ নিৰলস সাধনাত ব্ৰতী হ'ল মনিষীসকল। এনেকৈয়ে প্ৰকাশ ঘটিল দাৰ্শনিক চিন্তাৰ। এনে মূল্যবোধ সম্পন্ন মননাত্মক চিন্তাই স্বীকৃতি লভিলে দৰ্শন বুলি।

দৰ্শন সাহিত্য নহয়। দৰ্শনে জীৱনৰ দুখ-যন্ত্ৰণা নিৰাময়ৰ সাধক পথৰ নিৰ্দেশনাও প্ৰদান কৰে। আৱেগ তথা কল্পনা যেনেকৈ সাহিত্যৰ প্ৰধান চালিকা শক্তি, তেনেকৈয়ে বিষয়ৰ সাৰ্বিক ব্যাখ্যা তথা যুক্তি নিৰ্ভৰশীলতা দৰ্শনৰ মূল আধাৰ।

দৰ্শন যেনেকৈ সাহিত্য নহয়, ঠিক তেনেকৈ দৰ্শন বিজ্ঞান অথবা ধৰ্মও নহয়। বিজ্ঞানে জগতৰ কোনো বিশেষ বিশেষ ক্ষেত্ৰৰ বাবে পদ্ধতিগত বিশ্লেষণ, পৰীক্ষণ আৰু প্ৰমাণীকৰণৰ মাধ্যমত খণ্ডিত তথা বিশেষ জ্ঞান অৰ্জনৰ প্ৰয়াস কৰে। সেইদৰে ধৰ্মৰ মূল আধাৰ বিশ্বাস আৰু কাল্পনিক ব্যাখ্যা সমূহৰো সমুচিত সাৰ্বিক গ্ৰহণযোগ্যতাৰ যুক্তি প্ৰদান কৰে দৰ্শনেহে।

দৰ্শন যিহেতু মূলতঃ দৃষ্টিভংগীমূলক চিন্তাৰ সক্ৰিয়তা মাথোন, গতিকে এই দিশৰ পৰা চাবলৈ গ'লে প্ৰতিজন সক্ৰিয় চিন্তাশীল লোকেই একো একোজন দাৰ্শনিক।

গতিকে দৰ্শন সম্বন্ধে মোৰ এইখিনি অনুভৱেই প্ৰকাশ কৰিলো।

# কুইজ

—পূজা বৰা
স্নাতক প্ৰথম ষান্মাসিক

প্ৰশ্ন ঃ পৃথিৱীৰ এখন অন্যতম মহাকাব্য মহাভাৰতৰ আন এটা নাম কি।

উত্তৰ ঃ জয়া

প্ৰশ্ন ঃ প্ৰথম অসমীয়া শিশু আলোচনী 'ল'ৰাবন্ধুৰ'ৰ প্ৰথম সম্পাদক কোন?

উত্তৰ ঃ কৰুণাভিৰাম বৰুৱা

প্ৰশ্ন ঃ মহামতি আকবৰৰ অন্যতম মন্ত্ৰী বীৰবলৰ আচল নাম কি আছিল?

উত্তৰ ঃ মহেশ দাস

প্ৰশ্ন ঃ অলিম্পিকৰ কোনটো বিভাগত পুৰুষ আৰু নাৰীয়ে একেলগে অংশ গ্ৰহণ কৰিব পাৰে?

উত্তৰ ঃ অশ্বাৰোহণ

প্ৰশ্ন ঃ পৃথিৱীৰ এটা জনপ্ৰিয় খেলৰ আৰম্ভণিতে নাম আছিল গ্ৰ'ছিমা। বৰ্তমান এই খেলটো কি নামেৰে জনাজাত?

উত্তৰ ঃ টেবল টেনিছ

প্ৰশ্ন ঃ 'জয় হিন্দ' শব্দটোৰ প্ৰচলন প্ৰথম কোনে কৰে?

উত্তৰ ঃ সুভাষ চন্দ্ৰ বসুৱে

প্ৰশ্ন ঃ বিশ্বৰ প্ৰাচীনতম গ্ৰন্থখনৰ নাম কি?

উত্তৰ ঃ বেদ

প্ৰশ্ন ঃ দেশপ্ৰেমমূলক গীত 'চাৰে যাহা যে আচ্চা' কোনে ৰচনা কৰিছিল?

উত্তৰ ঃ মহম্মদ ইকবাল

প্ৰশ্ন ঃ ভাৰতৰ কোনখন চহৰ দুখন ৰাজ্যৰ ৰাজধানী?

উত্তৰ ঃ পঞ্জাব আৰু হাৰিয়ানা




বিদ্যা দদাতি বিনয়
স্থাপিত : ১৯৯১: নাৰেংগী : গুৱাহাটী ৭১
ANCHALIK




VISION


MAHAVIDYALAYA





